# ভুৰপোকৰ
# সুসংহত নিয়ন্ত্ৰণ প্ৰণালী



ড° বাদল ভট্টাচাৰ্য্য
সুধাংশু ভাগৱতী
ড° খনিন পাঠক
স্নিগ্ধা ভট্টাচাৰ্য্য
ড° হিমাংশু মিশ্ৰ
পাৰ্থপ্ৰতিম জ্ঞানোদয় দাস

সৰ্বভাৰতীয় আঁচনি-ভূমিজ সন্ধিপদী অপপ্ৰাণী
পতংগতত্ত্ব বিভাগ
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট-৭৮৫০১৩

## ভুৰপোক কি ?

ভুৰপোক পতংগৰ পখিলাবৰ্গৰ (Lepidoptera) অন্তৰ্ভুক্ত এবিধ অনিষ্টকাৰী পোক। ভাৰতবৰ্ষত ভুৰপোকৰ বহুকেইটা প্ৰজাতি আছে যদিও অসমত এগ্ৰোটিছ য়িপচিল'ন (*Agrotis ipsilon*) নামৰ প্ৰজাতিবিধহে যথেষ্ট পৰিমাণে পোৱা যায়। ভুৰপোকে বিভিন্ন ৰবিশস্য যেনে আলু, মাকৈ, জলকীয়া, কবিজাতীয় শস্য, বুটমাহ, মটৰ মাহ, মচুৰ আদিৰ বিস্তৰ ক্ষতিসাধন কৰে। ইয়াৰ উপৰি বিভিন্ন ফুল আৰু পুলিবাৰীতো ইহঁতৰ উপদ্ৰৱ দেখা যায়। বানাগ্ৰস্ত অঞ্চলত সাধাৰণতে ভুৰপোকৰ প্ৰাদুৰ্ভাৱ বেছি হয়।

## কেনেকৈ ক্ষতিসাধন কৰে ?

ভুৰপোকৰ পলুবোৰ দিনৰ ভাগত মাটিৰ তলত লুকাই থাকে আৰু সন্ধিয়াপৰত মাটিৰ পৰা সক্ৰিয় হৈ ওলাই আহে। ভুৰপোকে আলুখেতিৰ পুলিবোৰ গুৰিতে কাটি দি কোমল অংশবোৰ খায় আৰু বহুসংখ্যক পুলি এনিশাতে কাটি পেলাব পাৰে। ইহঁতবোৰে পূৰঠ হোৱা আলুবোৰো ফুটা কৰি খায় আৰু আক্ৰান্ত আলুবোৰ ব্যৱহাৰৰ বাবে অনুপযোগী হৈ পৰে। আক্ৰান্ত আলুবোৰৰ বজাৰৰ মূল্য হ্ৰাস পায়। আলুৰ বাহিৰে ওপৰত উল্লিখিত শস্যসমূহৰ পুলিবোৰো গুৰিতে কাটি শস্যৰ প্ৰচুৰ ক্ষতি সাধন কৰে।



আক্ৰান্ত আলুৰ পুলি



আক্ৰান্ত আলু



আক্ৰান্ত গুজি তিলৰ পুলি



আক্ৰান্ত জলকীয়া পুলি

**জীৱন চক্ৰ ঃ**

শীতৰ আগমনৰ লগে লগে ভুৰপোকৰ পখিলাবোৰ সক্ৰিয় হৈ সাধাৰণতে সেমেকা ঠাইত কণী পাৰে। মাইকী পখিলাবোৰে প্ৰায় ২৮টা মান কণী পাৰে আৰু কণীবোৰ ৫-১০ দিনৰ ভিতৰত পূৰঠ হৈ প্ৰথম স্তৰৰ পলুৰ জন্ম হয়। পলুবোৰৰ ৫টা স্তৰ ২৮ৰ পৰা ৩৫ দিনৰ ভিতৰত সম্পূৰ্ণ হৈ লেটালৈ (১২-১৫ দিন) ৰূপান্তৰিত হয়। এনেদৰে ইহঁতৰ এটা জীৱন চক্ৰ সম্পূৰ্ণ হ'বলৈ প্ৰায় ৪০-৫০ দিন মানৰ প্ৰয়োজন হয়।



মতা পখিলা



মাইকী পখিলা



কণী



পলু



লেটা

## সুসংহত নিয়ন্ত্ৰণ ব্যৱস্থাৱলী

● সন্ধিয়া পোহৰ ফান্দৰ (Light trap) দ্বাৰা নতুবা শস্যডৰাৰ আশে-পাশে জুই ধৰি ভুৰপোকৰ পখিলাবোৰক পোহৰলৈ আকৰ্ষিত কৰি ধ্বংস কৰিব পাৰি।

● ৰাতিপুৱা খেতিডৰা পৰিদৰ্শন কৰাৰ সময়ত গুৰি কাটি থোৱা পুলিবোৰৰ ওচৰৰ মাটিখিনি খান্দি (৫-১০ ছেঃমিঃ) পলুবোৰ উলিয়াই মাৰি পেলাব লাগে।



● বিভিন্ন অৰ্থকৰী শস্যৰ পুলিবোৰ ভুৰপোকৰ পৰা ৰক্ষা কৰিবলৈ বাঁহ বা পি. ভি. চি. পাইপৰ ৰিং বনাই (১০ছেঃমিঃ ব্যাস) ব্যৱহাৰ কৰিব পাৰি।

● পথাৰডৰা ৰদৰ বতৰত দকৈ হাল বাই ল'ব লাগে। ইয়াৰ ফলত মাটিৰ ভিতৰত সোমাই থকা পলু আৰু লেটাবোৰ বাহিৰলৈ ওলাই আহে আৰু ইহঁতবোৰক তেতিয়া বিভিন্ন কীটভোজী চৰাইয়ে ভক্ষণ কৰে। সেয়েহে খেতি পথাৰডৰাত চৰাইৰ আগমনৰ বাবে বাহৰ জেং আদি পুতিব লাগে।

● আলুখেতিৰ মাটি চপোৱাৰ সময়ত ঢাপবোৰ ওখকৈ (৮-১০ ছেঃমিঃ) ৰাখিলে ভুৰপোকৰ পৰা ৰক্ষা পাব পাৰি।

● খেতিডৰাত যদি পানী জমা হৈ থাকে তেন্তে অতি সোনকালে জলনিষ্কাশনৰ ব্যৱস্থা কৰিব লাগে।

● মাজে-সময়ে খেতিডৰাৰ অপতৃণবোৰৰ নিৰণিৰ ব্যৱস্থা কৰিব লাগে।

● মাটি চহোৱাৰ সময়ত সৰিয়হৰ খলিহৈ প্ৰতি হেক্টৰ মাটিত প্ৰায় ১৫০ কেজিকৈ ব্যৱহাৰ কৰিব লাগে।

● ভুৰপোকবোৰক কিছুমান ৰাসায়নিক দ্ৰব্যৰ মিশ্ৰণ 'আকৰ্ষক' হিচাপে ব্যৱহাৰ কৰি ধ্বংস কৰিব পাৰি। মিশ্ৰণটো তলত উল্লেখ কৰা ধৰণে বনাব পাৰি ঃ বেচন (১ কেজি) + গুৰ (১০০ গ্ৰাম) + ইষ্ট ভেকুঁৰ (১ গ্ৰাম) + ক্লৰপাইৰিফচ (১ মিঃ লিঃ)।

● পতংগ নিয়ন্ত্ৰক হিচাপে বিভিন্ন ভেঁকুৰ যেনে বিউভেৰিয়া বেচিয়ানা আৰু মেটাৰহিজিয়াম এনিচ'প্লি প্ৰতি বৰ্গ মিটাৰত ১০ গ্ৰামকৈ প্ৰয়োগ কৰিলে সুফল পোৱা যায়।

● শস্য ৰোপণ কৰাৰ আগেয়ে মাটিত লুৰ খান্ধি কুইনলফছ ২৫ ই.চি. নতুবা ক্লৰ'পাইৰিফছ ২০ ই.চি. ১.৫-২ মিঃলিঃ প্ৰতি লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰি আলুৰ বীজ ৰোপণ কৰিলে ভুৰপোকৰ উপদ্ৰৱ বহুখিনি কম হোৱা দেখা যায়।

যিহেতু ভুৰপোকবোৰ সন্ধিয়া সময়তহে সক্ৰিয় হৈ ক্ষতিসাধন কৰে সেয়েহে উল্লিখিত কীটনাশক দ্ৰব্যবোৰ সন্ধিয়া সময়ত পথাৰত স্প্ৰে হিচাপে প্ৰয়োগ কৰিলে সুফল পোৱা যায়।

ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ 'টি.এছ.পি.' অনুদানেৰে মুদ্ৰিত আৰু
অসম কৃষি বিশ্ববিদ্যালয়ৰ, গৱেষণা সঞ্চালকালয়ৰ দ্বাৰা প্ৰকাশিত
বুলেটিন নং - এ এ ইউ/ডি আৰ/১৭(বি এল)/২৩০/২০১৮-১৯